শিক্ষকে ফলপ্ৰসূতাৰে পাঠ অৱতাৰণা কৰিব লাগে। ইয়াত শিক্ষকে পাঠ ঘোষণাৰে অৱতাৰণা অংশৰ সামৰণি মাৰিব পাৰে।

## ১.২.২ ব্লেকবৰ্ডত লিখন (অৰ্থ আৰু উপকৌশল) Blackboard Writing (Meaning and Components)

শ্ৰেণীকক্ষৰ শিক্ষাদানত সচৰাচৰ ব্যৱহাৰ হোৱা এক গুৰুত্বপূৰ্ণ সঁজুলি হ'ল ব্লেকবৰ্ড। ইয়াৰ সঠিক ব্যৱহাৰে শিক্ষক শিক্ষণীয় বিষয়বস্তুৰ সঠিক উপস্থাপনত সহায় কৰাৰ লগতে শিক্ষাৰ্থীক বিষয়বস্তুটো বুজি পোৱাত ইন্ধন যোগায়। সেয়েহে ব্লেকবৰ্ডত লিখন কৌশলটো প্ৰতিজন শিক্ষকেই ভালদৰে আয়ত্ব কৰা উচিত। এই কৌশলৰ লগত জড়িত উপকৌশল সমূহৰ বিষয়ে তলত বহলাই আলোচনা কৰা হ'ল।

**ক) স্পষ্টতা** (Legibility)

ব্লেকবৰ্ডত লিখা আখৰবোৰ স্পষ্ট হ'ব লাগে। শ্ৰেণীৰ সকলোৱে বুজি পোৱা অৰ্থাৎ একেবাৰে শেষৰ বেঞ্চত বহা ছাত্ৰ ছাত্ৰীয়েও বৰ্ডৰ লেখনি দেখিব আৰু পঢ়িব পৰা হ'ব লাগে।

**খ) আকাৰ আৰু স্থিতি** (Size and Alignment)

শিক্ষাৰ্থীৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি বৰ্ডত লিখা আখৰৰ আকাৰ আৰু স্থিতি নিৰ্ধাৰণ কৰিব লাগে।

**গ) মূল কথাৰ আলোকপাত** (Highlighting Main Points)

শিক্ষকে গুৰুত্বপূৰ্ণ বুলি ভবা মূল মূল কথাবোৰ বৰ্ডত উপযুক্ত শব্দৰে উপস্থাপন কৰিব লাগে আৰু সেইবোৰৰ তলত আঁচ টানিব লাগে যাতে সেই শব্দবোৰৰ প্ৰতি শিক্ষাৰ্থীৰ মনোযোগ আকৰ্ষিত হয়।

**ঘ) বৰ্ডৰ ঠাইৰ সদব্যৱহাৰ** (Utilisation of Space)

দৰাচলতে ব্লেকবৰ্ড এখনৰ ঠাই সীমিত হোৱা দেখা যায়। সেয়ে





শিক্ষকে মিতব্যয়ীতাৰে ইয়াৰ ঠাইৰ ব্যৱহাৰ কৰিব লাগে আৰু গুৰুত্বপূৰ্ণ শব্দ আৰু বাক্যাংশহে বৰ্ডত লিপিবদ্ধ কৰিব লাগে।

**ঙ) শিক্ষকৰ অৱস্থান** (Position of Teacher)

বৰ্ডত লিখি থকা সময়ত শিক্ষকজন তেওঁৰ অৱস্থানৰ প্ৰতিও সচেতন হ'ব লাগে। ব্লেকবৰ্ডত লিখি থাকোতে শিক্ষকজন বৰ্ডৰ সোঁমাজত থাকিব নালাগে। তেওঁৰ অৱস্থান বৰ্ডৰ বাওঁফালে হ'ব লাগে যাতে বৰ্ডত লিখা কথাবোৰ ছাত্ৰ ছাত্ৰীয়ে ভালদৰে দেখিব, পঢ়িব আৰু লিখিব পাৰে।

**চ) বানান আৰু বাক্যৰ গাঁথনি** (Spelling and Sentence Structure)

বৰ্ডত লিখা কোনো বাক্য বা শব্দতে যাতে ভুল নৈ নাথায় তাৰ প্ৰতি শিক্ষকজন অত্যন্ত সচেতন হোৱা উচিত। তদুপৰি বৰ্ডত লিখা শব্দবোৰৰ বানান আৰু বাক্যৰ গাঁথনি যাতে শুদ্ধ হয় তাৰ প্ৰতি বিশেষ চকু ৰখা প্ৰয়োজন।

**ছ) চাক্ষুস সংযোগ** (Eye Contact)

বহুক্ষেত্ৰত দেখা যায় যে শিক্ষকে বৰ্ডত লিখি থকা সময়ত ছাত্ৰ ছাত্ৰীয়ে শ্ৰেণীকক্ষৰ অনুশাসন বৰ্তাই নাৰাখে। সেয়ে শিক্ষকে বৰ্ডত লিখি থকাৰ মাজে মাজে ছাত্ৰ ছাত্ৰীৰ সৈতে চাক্ষুস সংযোগ ৰক্ষা কৰি চলা উচিত। লগতে লিখি থাকোতে লিখা কথাখিনি মুখেৰেও উচ্চাৰণ কৰি যাব লাগে।

**জ) ব্লেকবৰ্ডৰ সাৰাংশ** (Blackboard Summary)

পাঠটো আলোচনা কৰি থাকোতে শিক্ষকে গুৰুত্বপূৰ্ণ কথাবোৰ বৰ্ডৰ একাষে টুকি ৰাখিব লাগে। পাঠদানৰ অন্তত এই টুকি ৰখা কথাবোৰৰ সহায়ত শিক্ষকে পাঠটোৰ সাৰাংশ শিক্ষাৰ্থীৰ আগত দাঙি ধৰিব লাগে।

## ১.২.৩ প্ৰশ্নসোধা কৌশল (অৰ্থ, ব্যৱহাৰ, প্ৰশ্নৰ গঠন আৰু উপস্থাপনৰ নিৰ্দেশনা, শ্ৰেণীবিভাজন আৰু উদ্দেশ্য) Questioning

## Skill (Meaning, Uses, Guidelines for Framing and Presenting Questions, Classification and Purpose)

### ১.২.৩.১প্ৰশ্নসোধা কৌশলৰ অৰ্থ (Meaning of Questioing Skill)

শ্ৰেণীকক্ষত শিক্ষাৰ্থীসকলক অনবৰতে মনোযোগী আৰু অভিৰোচিত কৰি ৰাখিবলৈ, শিক্ষণীয় বিষয়বস্তুৰ যথোপযুক্ত ব্যাখ্যা আৰু নিৰ্দেশনা দিবলৈ আৰু ভিন্ন বৌদ্ধিক ক্ষমতাৰ শিক্ষাৰ্থীৰ ব্যক্তিগত চাহিদা পূৰণ কৰিবলৈ শিক্ষকে বিভিন্ন কৌশল, পদ্ধতি, নীতি আদি জানিব লগা হয়। এইবোৰৰ ভিতৰত প্ৰশ্নসোধা কৌশলো অন্যতম। শিকন-শিক্ষণ প্ৰক্ৰিয়াৰ সফলতা বহুলাংশে এই প্ৰশ্নসোধা কৌশলৰ ওপৰতে নিৰ্ভৰশীল।

সাধাৰণতে প্ৰশ্ন মানে হ'ল এনে এটা বাক্য যাক কোনো তথ্যৰ সন্ধান কৰিবলৈ, জ্ঞানৰ পৰীক্ষা কৰিবলৈ বা মনৰ খুদুৰনি অথবা আউল দূৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। শ্ৰেণীকক্ষৰ পাঠদান প্ৰক্ৰিয়াতো বিভিন্ন উদ্দেশ্যেৰে সততে প্ৰশ্নৰ ব্যৱহাৰ কৰা দেখা যায়। সঠিক, স্পষ্ট আৰু সময়োচিত প্ৰশ্নই শিক্ষাৰ্থীৰ শিক্ষা গ্ৰহণত সহায় কৰাৰ লগতে তেওঁলোকক আৰু অধিক জানিবলৈ উৎসাহিত কৰি তোলে। তদুপৰি শুদ্ধ আৰু যথাযথভাৱে কৰা প্ৰশ্নই শিক্ষাৰ্থীৰ চিন্তাশক্তিক উদ্দীপিত কৰি যুক্তিসংগত সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে। অৱশ্যে ভুলকৈ কৰা প্ৰশ্নই শিক্ষাৰ্থীক বিৰক্ত আৰু বিব্ৰত কৰাৰ লগতে তেওঁলোকক পাঠ গ্ৰহণৰ প্ৰতি নিৰাসক্ত কৰি তোলে। সেয়েহে শিক্ষকে এই প্ৰশ্ন সোধা কৌশলৰ বিষয়ে সবিশেষ জনাটো অপৰিহাৰ্য। অন্যথা সমগ্ৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াই নিৰস, নিৰুৎসাহিত আৰু অনুপ্ৰেৰণাবিহীন হৈ পৰিব।

প্ৰশ্নসোধা কৌশলে এজন ব্যক্তিৰ বা শিক্ষকৰ কোনো পৰিস্থিতি, বস্তু, ধাৰণা আদি সম্পৰ্কে প্ৰশ্নৰ ৰচনা আৰু সহাঁৰি দিব পৰা ক্ষমতা বা দক্ষতাকে সূচায়। অৰ্থাৎ যি কৌশলৰ জৰিয়তে শিক্ষকে শ্ৰেণীকক্ষত কেনেকৈ, কেতিয়া, কিয়, কেনে ধৰণৰ আৰু কিমান প্ৰশ্ন কাক সুধিব সেই সম্পৰ্কে





খুটি-নাটি মাৰি জানিব পাৰে তাকে প্ৰশ্নসোধা কৌশল বুলি কোৱা হয়। শিক্ষকে সচৰাচৰ শ্ৰেণীকক্ষত শিক্ষাৰ্থীসকল মনোযোগী হৈ আছে নে তাক নিশ্চিত কৰিবলৈ, লগতে তেওঁলোকৰ বোধশক্তি আৰু আৰ্জিত জ্ঞানৰ মূল্যায়ন কৰিবলৈ প্ৰশ্নসোধা কৌশলৰ প্ৰয়োগ কৰে। সেই কাৰণে এই প্ৰশ্নসোধা কৌশল ভাল তথা উত্তম শিক্ষাদানৰ এক প্ৰধান অত্যাৱশ্যকীয় চৰ্ত।

### ১.২.৩.২ প্ৰশ্ন সোধা কৌশলৰ ব্যৱহাৰ (Uses of Questioning Skill)

অতি প্ৰাচীন কালৰে পৰা শিক্ষাদান কাৰ্যত প্ৰশ্নসোধা কৌশলৰ ব্যৱহাৰ কৰি অহা হৈছে। শ্ৰেণীকক্ষত শিক্ষাদানৰ বেলিকা নিম্নলিখিত দিশসমূহৰ বিষয়ে জানিবলৈ প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰা দেখা যায়।

**১) পূৰ্বজ্ঞানৰ পৰীক্ষা** (Testing Previous Knowledge)

পাঠ অৱতাৰণা পৰ্যায়ত শিকাবলগীয়া বিষয়বস্তুৰ সম্পৰ্কে শিক্ষাৰ্থীৰ আগতীয়া জ্ঞান বা পূৰ্বজ্ঞান পৰীক্ষা কৰিবলৈ শিক্ষকে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।

**২) প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ** (Preliminary Attention Gaining)

বহুক্ষেত্ৰত পাঠ অৱতাৰণাৰ বেলিকা শিক্ষাৰ্থীৰ প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ কৰিবলৈও শিক্ষকে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।

**৩) কৌতূহল আৰু আগ্ৰহৰ সৃষ্টি** (Stimulating Curiosity and Interest)

শিক্ষণীয় বিষয়বস্তুৰ প্ৰতি শিক্ষাৰ্থীক কৌতুহলী আৰু আগ্ৰহী কৰি তুলিবলৈ প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰা হয়।

৪) **অতিৰিক্ত শিকনৰ অনুপ্ৰেৰণা** (Encouragement of Further Learning)

শিক্ষাৰ্থীক কোনো বিষয়বস্তু সম্পৰ্কে আৰু অধিক জানিবলৈ অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত প্ৰশ্ন সোধা কৌশল ব্যৱহাৰ কৰা হয়।

৫) **চিন্তাশক্তিক উদ্দীপিত কৰা** (Illuminating Thinking)

শিক্ষাৰ্থীৰ চিন্তাশক্তিক উদ্দীপিত তথা উদ্ভাসিত কৰিবলৈ প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰা হয়।

৬) **তুলনাকৰণ** (Comparison)

শিক্ষণীয় বিষয়বস্তুৰ স'তে অন্যান্য বিষয় বা বস্তুৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ তুলনা কৰণৰ বেলিকা শিক্ষকে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।

৭) **সামান্যীকৰণ** (Generalisation)

শিক্ষণীয় বিষয়বস্তুক বাস্তৱ জীৱনৰ সৈতে সম্পৰ্কিত কৰি সঠিক সিদ্ধান্তত উপনীত হোৱাত সহায় কৰিবলৈ শিক্ষকে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।

৮) **শিকনৰ অসুবিধাসমূহ জনা** (Knowing Difficulties in Learning)

পাঠদানৰ বেলিকা শিক্ষাৰ্থীয়ে বিষয়বস্তুৰ আয়ত্ব কৰণত সন্মুখীন হোৱা অসুবিধাসমূহৰ বিষয়ে জানিবলৈ শিক্ষকে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।

৯) **অনুশাসন পালন** (Maintenance of Discipline)

সাধাৰণতে দেখা যায় যে প্ৰায় প্ৰতিজন শিক্ষকেই শ্ৰেণীকোঠাৰ অনুশাসন বৰ্তাই ৰখাৰ উপায় হিচাপে প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰে।





১০) মূল্যায়ন (Evaluation)

শিক্ষাৰ্থীয়ে প্ৰদত্ত পাঠৰ কিমানখিনি আয়ত্ব কৰিব পাৰিলে তাৰ মূল্যায়ন কৰিবলৈ প্ৰশ্নসোধা কৌশল ব্যৱহাৰ কৰা হয়।

## ১.২.৩.৩ প্ৰশ্ন গঠন আৰু উপস্থাপনৰ নিৰ্দেশনাৱলী Guidelines for Framing and Presenting Questions)

প্ৰশ্নৰ গঠন আৰু উপস্থাপন কৰোতে শিক্ষকে কিছুমান কথাৰ ওপৰত বিশেষ মন দিয়া দৰকাৰ। তলত ইয়াৰ সাধাৰণ নিৰ্দেশনাসমূহ চমুকৈ উল্লেখ কৰা হ'ল।

১) প্ৰশ্নসমূহ সহজে বুজিব পৰা বিধৰ হোৱা উচিত।

২) প্ৰশ্নসমূহ সকলোৱে শুনাকৈ সোধা উচিত। প্ৰয়োজনমতে দোহাৰি দিয়া উচিত।

৩) প্ৰশ্নসমূহ সোধাৰ পিছত উত্তৰৰ বাবে শিক্ষাৰ্থীক নিৰ্দিষ্ট সময় দিব লাগে।

৪) শিক্ষাৰ্থীয়ে উত্তৰ দিয়াৰ সময়ত শিক্ষকে কোনো ধৰণৰ বাধাৰ সৃষ্টি কৰিব নালাগে। শিক্ষকে শিক্ষাৰ্থীয়ে কৰা প্ৰচেষ্টাক যথোচিত সন্মান জনাব লাগে।

৫) কোনো শিক্ষাৰ্থীয়ে দিয়া প্ৰশ্নোত্তৰৰ সন্দৰ্ভত সহপাঠী সকলৰো মন্তব্য লোৱা উচিত।

৬) হয় / নহয় উত্তৰৰ প্ৰশ্ন বৰ্জন কৰা উচিত। এনে প্ৰশ্নই শিক্ষাৰ্থীৰ চিন্তাশক্তিক জাগ্ৰত কৰাৰ পৰিবৰ্তে অনুমান কৰি উত্তৰ দিয়াতহে সহায় কৰে।

৭) যিবোৰ প্ৰশ্নত স্বয়ং ইয়াৰ উত্তৰৰ প্ৰতিফলন ঘটে তেনে প্ৰশ্ন পৰিহাৰ কৰিব লাগে।

৮) যিবোৰ প্ৰশ্নই একাধিক ধাৰণা বা উত্তৰক প্ৰতিনিধিত্ব কৰে তেনে

প্ৰশ্ন সোধাৰ পৰা বিৰত থাকিব লাগে।

৯) দ্ব্যৰ্থবোধক প্ৰশ্নৰ কেতিয়াও অৱতাৰণা কৰিব নালাগে।

১০) তথ্যভিত্তিক আৰু চিন্তামূলক প্ৰশ্নৰ মাজত ভাৰসাম্যতা বজা ৰাখিব লাগে।

১১) প্ৰশ্ন সোধোতে ব্যক্তিগত বৈষম্যৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

১২) একেজন শিক্ষাৰ্থীকে নাইবা কোনো নিৰ্দিষ্ট ঠাইত ব শিক্ষাৰ্থীকে প্ৰশ্ন সুধিব নালাগে। প্ৰশ্ন সোধাৰ ক্ষেত্ৰত সমতা বজাই ৰাখি লাগে। শ্ৰেণীৰ সকলোকে সমভাৱে প্ৰশ্নোত্তৰত অংশ গ্ৰহণ কৰাৰ সুযো দিব লাগে।

প্ৰশ্ন সোধোতে উপৰোক্ত সাধাৰণ নিৰ্দেশনাসমূহ মানি চলাৰ উপৰি আন কেতবোৰ গুৰুত্বপূৰ্ণ কথাও শিক্ষকে জনা উচিত। এইবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

## প্ৰশ্ন গঠনৰ নিৰ্দেশনাৱলী (Guidelines for Framing Questions)

প্ৰশ্নসোধাৰ আগতে প্ৰশ্নটো কেনেকৈ গঠন কৰিব লাগে সেই বিষয়ে শিক্ষকে ভালদৰে জনা উচিত। তলত প্ৰশ্ন গঠনৰ নিৰ্দেশনাসমূহ চমুকৈ আলোচনা কৰা হ'ল।

### ১) বৈয়াকৰণিক শুদ্ধতা (Grammatical Correctness)

প্ৰশ্ন গঠনত বৈয়াকৰণিক শুদ্ধতা থকা উচিত। প্ৰশ্নসমূহ সদায় সহজ-সৰল আৰু শুদ্ধ ভাষা প্ৰয়োগ কৰি ৰচনা কৰিব লাগে। প্ৰশ্নসমূহ দ্ব্যৰ্থহীন হ'ব লাগে। ত্ৰুটিপূৰ্ণভাৱে গঠন কৰা প্ৰশ্নই শিক্ষাৰ্থীৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰে আৰু এইবোৰ বুজি উঠি উত্তৰ দিওঁতে যথেষ্ট সময়ৰ প্ৰয়োজন হয়। সহজ-সৰল, দ্ব্যৰ্থহীন প্ৰশ্নই শিক্ষাৰ্থীৰ পৰা তাৎক্ষণিক সহঁাৰি আদায় কৰিব পাৰে।





### ২) সংক্ষিপ্ততা (Conciseness)

সংক্ষিপ্ততাই এটা প্ৰশ্নৰ ন্যূনতম অথচ প্ৰয়োজনীয় দৈৰ্ঘ্যকে বুজায়। প্ৰশ্নসমূহ সদায় বিষয়বস্তুৰ লগত প্ৰত্যক্ষ তথা পোনপটীয়া সম্পৰ্ক থকা হ'ব লাগে। এইবোৰ সংক্ষিপ্ত আৰু বাহুল্যমুক্ত হ'ব লাগে। অপ্ৰয়োজনীয় শব্দ পৰিহাৰ কৰিব লাগে। প্ৰয়োজনতকৈ বেছি দীঘল প্ৰশ্নই শিক্ষাৰ্থীক বিপাঙত পেলায় আৰু উত্তৰ দিয়াত বাধাৰ সৃষ্টি কৰে।

### ৩) প্ৰাসঙ্গিকতা (Relevance)

প্ৰশ্নসমূহ সদায় বিষয়বস্তুৰ লগত সম্পৰ্ক থকা হ'ব লাগে। অৰ্থাৎ প্ৰশ্ন গঠনৰ বেলিকা বিষয়বস্তুৰ লগত ইয়াৰ প্ৰাসংগিকতা ৰিজাই চাব লাগে। তদুপৰি প্ৰশ্নসমূহ শিক্ষাৰ্থীৰ মানসিক স্তৰৰ লগতো খাপ খোৱা বিধৰ হ'ব লাগে। বিষয়বস্তু আৰু মানসিক স্তৰৰ স'তে মিল নথকা প্ৰশ্নই শিক্ষাৰ্থীৰ মনত বেমেজালিৰ সৃষ্টি কৰে।

### ৪) নিৰ্দিষ্টতা (Specificity)

প্ৰশ্ন গঠন কৰোতে নিৰ্দিষ্টতাৰ ওপৰত চকু দিব লাগে। প্ৰশ্নসমূহ সদায় বিষয়বস্তুৰ প্ৰতি নিৰ্দিষ্ট আৰু বৈধ হ'ব লাগে আৰু সদায় এটা উত্তৰৰ হে আহ্বান কৰিব লাগে।

### ৫) স্পষ্টতা (Clarity)

প্ৰশ্নসমূহ সদায় স্পষ্ট হ'ব লাগে। অস্পষ্ট প্ৰশ্নই ভুল ব্যাখ্যাৰহে আহ্বান কৰিব পাৰে। ফলত শিক্ষকে স্পষ্টীকৰণ দিব লগা হয় আৰু অনাহকত সময়ৰ অপব্যৱহাৰ হয়।

## প্ৰশ্ন উপস্থাপনৰ নিৰ্দেশনাৱলী (Guidelines for Presenting Questions)

প্ৰশ্নৰ উপস্থাপনে ইতিমধ্যে গঠন কৰা প্ৰশ্নটো শিক্ষাৰ্থীৰ সন্মুখত অৱতাৰণা কৰা বা তুলি ধৰাকে বুজায়। প্ৰশ্নৰ উপস্থাপনৰ সময়তো শিক্ষকে

কিছুমান কথা বিশেষভাৱে মন দিব লাগে। এই ক্ষেত্ৰত মানি চলিবলগীয়া নিৰ্দেশনাৱলী তলত আলোচনা কৰা হ'ল।

১) গতি (Speed)

প্ৰশ্নসমূহ বহুত খৰকৈ বা খুব লাহেকৈ সুধিব নালাগে। এনে কৰিলে প্ৰশ্নটো বুজি পোৱাত অসুবিধাৰ সৃষ্টি হয়। আনহাতে প্ৰশ্নসোধাৰ মাজত কোনো ধৰণৰ অপ্ৰয়োজনীয় বিৰাম বা বিৰতি ল'ব নালাগে। স্বাভাৱিক গতিত সোধা বা উপস্থাপন কৰা প্ৰশ্নইহে শিক্ষাৰ্থীৰ পৰা উপযুক্ত সঁহাৰি আদায় কৰিব পাৰে।

২) কণ্ঠ (Voice)

প্ৰশ্ন উপস্থাপন কৰোতে শিক্ষাৰ্থীৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি সকলোৱে শুনাকৈ মাত বা কণ্ঠৰ তীব্ৰতা নিৰ্ধাৰণ কৰিব লাগে।

৩) বিৰতি (Pause)

প্ৰশ্ন উপস্থাপনৰ ঠিক পিছতে উত্তৰৰ বাবে শিক্ষাৰ্থীক সময় দিব লাগে। ই শিক্ষাৰ্থীক প্ৰশ্নটো বুজি উঠি উত্তৰৰ চিন্তা কৰাৰ সুযোগ প্ৰদান কৰে।

৪) শৈলী (Style)

প্ৰশ্ন উপস্থাপন কৰোতে এটা নিৰ্দিষ্ট শৈলী অনুসৰণ কৰিব লাগে। অৰ্থাৎ সঠিক স্বৰ প্ৰক্ষেপণ, সুমধুৰ কণ্ঠ, বিৰামনীতি আৰু সঠিক দৈহিক ভাষাৰে বন্ধুসুলভভাৱে প্ৰশ্নৰ উপস্থাপন কৰিব লাগে।

৫) অতিৰিক্ত তথ্যৰ অন্বেষণ (Seeking Further Information)

উপস্থাপন কৰা প্ৰশ্নৰ উত্তৰ যদি শিক্ষাৰ্থীয়ে আংশিকভাৱে শুদ্ধ বা অসম্পূৰ্ণকৈ দিয়ে তেন্তে শিক্ষকে তাক সম্পূৰ্ণ কৰাত সহায় কৰিবলৈ অতিৰিক্ত সহায়কাৰী প্ৰশ্নৰ উপস্থাপন কৰিব লাগে।





৬) ইঙ্গিত (Promting)

যেতিয়া শিক্ষাৰ্থীয়ে উপস্থাপিত প্ৰশ্নৰ উত্তৰ দিওঁতে অসুবিধাৰ সন্মুখীন হয় তেতিয়া শিক্ষকে আভাস বা ইংগিত দিব লাগে। এনে কৰোতে শিক্ষাৰ্থীজনে যি জানে তাৰ পৰা Promting কৰিব লাগে আৰু শুদ্ধ উত্তৰটো বিচাৰি উলিওৱাত সহায় কৰিব লাগে।

৭) পুনৰ নিবিষ্টকৰণ (Refocusing)

যেতিয়া শিক্ষাৰ্থীয়ে উপস্থাপিত প্ৰশ্নৰ শুদ্ধ উত্তৰ দিবলৈ সক্ষম হয় তেতিয়া শিক্ষকে শিক্ষাৰ্থীজনে দিয়া উত্তৰটোক ইতিমধ্যে আলোচিত বিষয়বস্তুৰ লগত সম্পৰ্কিত কৰিব লাগে। তেনে কৰিলে শিক্ষাৰ্থীজনৰ লগতে গোটেই শ্ৰেণীটোৰ মনোযোগ শিক্ষণীয় বিষয়বস্তুটোত নিবিষ্ট হয়। তদুপৰি এই নিবিষ্টকৰণে শিক্ষাৰ্থীক তেওঁ দিয়া উত্তৰটোৰ প্ৰতি সজাগ কৰি তোলাৰ লগতে আৰু অধিক জটিল আৰু ন ন পৰিস্থিতিত তাক প্ৰয়োগ কৰিবলৈ উৎসাহিত কৰে।

৮) পুনৰ নিৰ্দেশন (Redirecting)

শিক্ষকে আকাংক্ষিত উত্তৰ আদায় কৰিবলৈ একেটা প্ৰশ্নকে বেলেগ বেলেগ ধৰণে অন্যান্য শিক্ষাৰ্থীৰ সন্মুখত উপস্থাপন কৰাকে পুনৰ নিৰ্দেশন বুলি কোৱা হয়। এনে কৰিলে সকলো শিক্ষাৰ্থীৰে অংশ গ্ৰহণ নিশ্চিত কৰিব পাৰি।

৯) সমালোচনাত্মক সজাগতা বৃদ্ধি (Increasing Critical Awareness)

শিক্ষাৰ্থীৰ শুদ্ধ উত্তৰত শিক্ষকে কিয়, কেনেকৈ আদি অতিৰিক্ত প্ৰশ্ন যোগ দি শিক্ষাৰ্থীৰ সমালোচনাত্মক সজাগতা বৃদ্ধি কৰিব পাৰে।

গতিকে দেখা গ'ল যে, প্ৰশ্নৰ গঠন আৰু উপস্থাপন কৰাটো এটা অতি কঠিন কাম। শিক্ষকে উপযুক্ত অনুশীলন আৰু প্ৰশিক্ষণৰ যোগেদি প্ৰশ্ন গঠন আৰু উপস্থাপনৰ কৌশল সমূহ আয়ত্ব কৰাটো নিতান্তই প্ৰয়োজনীয়।

## ১.২.৩.৪ প্ৰশ্নৰ শ্ৰেণী বিভাজন (Classification of